জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৭২/২০২১

<u>সদৌ অসম ট্ৰাইবেল সংঘৰ ৩৮ তম কেন্দ্ৰীয় অধিৱেশনত মুখ্যমন্ত্ৰীৰ অংশ গ্ৰহণ</u>

# লাইকা-দধিয়াৰ ১৩০০ টা ভূমিহীন পৰিয়ালক পুনৰ সংস্থাপনৰ বাবে ৰাজ্য চৰকাৰে ১ লাখ টকাকৈ প্ৰদান কৰিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৩০ জানুৱাৰী ঃ** 'লাইকা-দধিয়াৰ ১৩০০ টা ভূমিহীন পৰিয়ালৰ পুনৰ সংস্থাপনৰ বাবে প্ৰতিটো পৰিয়ালক ১ লাখ টকাকৈ প্ৰদান কৰিব ৰাজ্য চৰকাৰে।' আজি মৰিগাঁও জিলাৰ নেলীত গিৰিধৰ পাটৰ সমন্বয় ক্ষেত্ৰত সদৌ অসম ট্ৰাইবেল সংঘৰ ৩৮ তম ত্ৰি-বাৰ্ষিক কেন্দ্ৰীয় অধিৱেশনত মুখ্য অতিথি হিচাপে ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই কথা ঘোষণা কৰে।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে সদৌ অসম ট্ৰাইবেল সংঘই জন্মলগ্নৰে পৰা জনজাতি সম্প্ৰদায়ৰ লোকসকলৰ বাবে নিষ্ঠাৰে কাম কৰি আহিছে। অসমৰ মানচিত্ৰত জনজাতিসকলৰ অৱস্থাৰ বিষয়ে প্ৰতিটো মূহূৰ্ততে সজাগতা প্ৰদৰ্শন কৰি আহিছে। জনজাতি সম্প্ৰদায়ৰ লোকসকলক সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক আদি বিভিন্ন দিশত সজাগ আৰু সচেতন কৰি তুলিছে। তেওঁ কয় যে জনজাতি লোকসকলে একবিংশ শতিকাৰ প্ৰতিযোগিতামুখী যুগৰ বিষয়টো মনত ৰাখি তেনে দৃষ্টিভংগীৰে কৰ্মপথাৰত অগ্ৰসৰ হ'ব লাগিব। আমি আমাৰ শ্ৰেষ্ঠতা প্ৰদৰ্শন কৰিব লাগিলে তেনেধৰণে নতুন প্ৰজন্মক আগুৱাই নিব লাগিব। শিক্ষাৰ জৰিয়তে যাতে শক্তিশালী ব্যক্তিত্বৰ গৰাকী হয় আৰু আত্মবিশ্বাসেৰে দক্ষতা প্ৰদৰ্শন কৰিব পাৰে ইয়াৰ প্ৰতি ট্ৰাইবেল সংঘই বিশেষ গুৰত্ব প্ৰদান কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ সামগ্ৰিক উন্নয়ন বিচাৰিব লাগিলে ভূমিপুত্ৰ ট্ৰাইবেলসকলৰ উন্নয়নত গুৰুত্ব দিব লাগিব। বিজেপি মিত্ৰ জোঁটৰ চৰকাৰখনে অসমৰ জনসাধাৰণৰ সহযোগত সফলতাৰে কাৰ্যকাল সমাপ্ত হোৱাৰ দিশত অগ্ৰসৰ হৈছে। ৰাইজৰ সহযোগ অবিহনে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ আঁচনিসমূহ সফল ৰূপত ৰূপায়ণ কৰাটো সম্ভৱ নহ'লহেঁতেন বুলি উল্লেখ কৰি তেওঁ কয় যে জনজাতি অধ্যুষিত ট্ৰাইবেল বেল্ট আৰু ব্লকত জনজাতিসকলৰ ভূমি সুৰক্ষিত কৰিবই লাগিব। এইটো আমাৰ মৌলিক দায়িত্ব। এইবোৰ কথা অগ্ৰাধিকাৰৰ ভিত্তিত চৰকাৰে গুৰুত্ব প্ৰদান কৰিব বুলিও তেওঁ কয়। ভীমবৰ দেউৰীৰ দৰে মহান মনীষীসকলক শ্ৰদ্ধাৰে সোঁৱৰাৰ লগতে ৰাজ্যিক পৰ্যায়ত অনুষ্ঠান পাতি অসমৰ মানুহৰ মাজত শক্তিশালী ভাবে পৰিচয় প্ৰদান কৰা হৈছে। ৰাজ্যখনৰ প্ৰতিটো সম্প্ৰদায়ে সকলো দিশতে শক্তিশালী হ'ব পাৰে, ইয়াৰ বাবে প্ৰতিটো জনগোষ্ঠীৰ পৰম্পৰাগত পদ্ধতি, লোকবিশ্বাস, লোক সংস্কৃতিক বিকশাই তোলাৰ বাবে ৰাজ্য চৰকাৰে বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰ বাবে জনজাতি লোকসকলে সন্মুখৰ পৰা দৃঢ়তাৰে নিজৰ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ কয় যে খিলঞ্জীয়াৰ ভূমিৰ অধিকাৰ সুনিশ্চিত কৰাৰ বাবে ৰাজ্য চৰকাৰে যোৱা চাৰে চাৰি বছৰত ৩.৩৪ লাখ ভূমিহীন খিলঞ্জীয়া পৰিয়ালক মাটিৰ পট্টা প্ৰদান কৰিছে।

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

ভাষা গৌৰৱ আঁচনিৰ জৰিয়তে প্ৰতিটো খিলঞ্জীয়া ভূমিপুত্ৰৰ ভাষাৰ উন্নয়নৰ বাবে শক্তিশালী পদক্ষেপ লোৱাৰ বাবে আজি প্ৰতিখন সাহিত্য সভাই আৰ্থিক ভাবে ৰাজ্য চৰকাৰৰ পৰা সহযোগিতা লাভ কৰিবলৈ সক্ষম হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ প্ৰতিটো জনগোষ্ঠীয়ে স্বাভিমানেৰে জীয়াই থাকিব পাৰে তাৰ বাবে ৰাজ্য চৰকাৰে এনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে। তেওঁ কয় যে ভাষা গৌৰৱ আঁচনিৰ জৰিয়তে ২২ টা খিলঞ্জীয়া সাহিত্য সভালৈ কৰ্পাচ পুঁজি হিচাপে ৰাজ্য চৰকাৰে সৰ্বমুঠ ৭৫ কোটি টকা আগবঢ়াইছে। প্ৰতিটো জনগোষ্ঠীক আধুনিক ধ্যান-ধাৰণাৰে আগুৱাই নিয়াৰ বাবে চৰকাৰে প্ৰয়াস কৰিছে। বিজেপিয়ে এই কথা বিশ্বাস কৰে যে যেতিয়ালৈকে ৰাইজৰ আস্থা আৰু বিশ্বাস আদায় কৰিব পৰা নাযায়, তেতিয়ালৈকে এখন শক্তিশালী সমাজ নিৰ্মাণ কৰাটো সম্ভৱ নহয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ‘সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস’ সাৰ্বজনীন নীতিৰে প্ৰতিটো জাতি-জনগোষ্ঠীক একত্ৰিত কৰি এখন শ্ৰেষ্ঠ ৰাষ্ট্ৰ বিশ্বৰ বুকুত গঢ় দিয়াৰ বাবে যি সংকল্প গ্ৰহণ কৰিছে, এই কথা আমি সকলোৱে উপলব্ধি কৰিছো। পূৰ্বতে কোনো চৰকাৰে সাৰ্বজনীন নীতি বিষয়াসকলক দিব পৰা নাছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে জনসাধাৰণৰ মনটো এই চেতনা জাগ্ৰত কৰিব পৰা নাছিল। প্ৰধানমন্ত্ৰীৰ এই আদৰ্শৰে বৰ্তমানৰ ৰাজ্য চৰকাৰে সমন্বয়ৰ যাত্ৰা আৰম্ভ কৰিছে। জনসাধাৰণে সহযোগিতা আগবঢ়োৱা বাবে আজি অসমৰ বকুত শান্তি সম্ভৱ হৈছে। শান্তি উভতি অহাৰ বাবে নতুন প্ৰজন্মই কঠোৰ পৰিশ্ৰম কৰাৰ মানসিকতা গঢ়ি তুলিছে। কৰ্মসংস্কৃতিয়ে নতুন মাত্ৰা লাভ কৰিছে বুলি তেওঁ কয়। কৃষি খণ্ডত জনজাতি সম্প্ৰদায়ৰ বহু যুৱক-যুৱতীয়ে উল্লেখযোগ্য সফলতা লাভ কৰিছে। জনজাতীয় লোকসকলে বিশ্বৰ বজাৰ দখল কৰিবলৈ সক্ষম হৈছে বুলিও তেওঁ কয়। নিজকে প্ৰতিষ্ঠা কৰাৰ লগতে পৰিয়াল, সমাজক শক্তিশালী কৰাৰ বাবে সংকল্প গ্ৰহণ কৰা বাবে আজি অসমে উন্নতিৰ জখলাত বগাবলৈ সক্ষম হৈছে।

মুখ্যমন্ত্ৰীয়ে কয় যে বিশ্বজয় কৰাৰ বাবে অসমৰ জনজাতিসকলে উল্লেখযোগ্য অৱদান যোগাব পাৰে সেই মানসিকতাৰে কাম কৰিব লাগিব। শিক্ষা, সংস্কৃতি আৰু ক্ৰীড়াৰ দিশত জনজাতীয় সম্প্ৰদায়ৰ নৱপ্ৰজন্মক আগুৱাই নিয়াৰ বাবে উৎসাহিত কৰিব লাগিব। উপযুক্ত মানৱ সম্পদ গঢ়াৰ দিশত সদৌ অসম ট্ৰাইবেল সংঘই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। অসম চৰকাৰে প্ৰতি মূহুৰ্ত্তে সদৌ অসম ট্ৰাইবেল সংঘৰ দৰে সকলো জনগোষ্ঠীয় সংগঠনক সহযোগিতা আগবঢ়াব বুলিও তেওঁ কয়। সকলো স্বায়ত্ত্ব শাসিত পৰিষদক শিক্ষা, সংস্কৃতি আৰু ক্ৰীড়াৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰিবলৈ তেওঁ আহ্বান জনায়।

মুখ্যমন্ত্ৰীয়ে কয় যে কাজিৰঙাকে ধৰি সত্ৰৰ বেদখল উচ্ছেদ কৰাৰ বাবে ৰাজ্য চৰকাৰে উল্লেখযোগ্য পদক্ষেপ গ্ৰহণ কৰিছে। প্ৰতিটো ট্ৰাইবেল স্বায়ত্ত্ব শাসিত পৰিষদে নিজ নিজ এলেকাত কোনো অবৈধ বেদখল হ’ব নোৱাৰে তাৰ বাবে জাগ্ৰত প্ৰহৰীৰ ভূমিকা গ্ৰহণ কৰিব লাগিব। মাটিৰ সন্দৰ্ভত অসমৰ ভূমিপুত্ৰসকলে চোকা দৃষ্টি ৰাখিব লাগিব। সদৌ অসম ট্ৰাইবেল সংঘই প্ৰতিটো জনগোষ্ঠীক অধিক সচেতন কৰি তুলিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। পুত্ৰ অথবা ভাতৃ হিচাপে ইয়ালৈ আহিছো বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে সকলোকো সমন্বয় অটুট ৰাখিবলৈ আহ্বান জনায়।

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

সভাত ভাষণ প্ৰদান কৰি ভৈয়াম জনজাতি কল্যাণ আৰু অন্যান্য পিছপৰা শ্ৰেণী বিভাগৰ মন্ত্ৰী চন্দন ব্ৰহ্মই কয় যে জনজাতি লোকসকলৰ কল্যাণ সাধনৰ বাবে ৰাজ্য চৰকাৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। আজিৰ এই অনুষ্ঠানত স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী পীযুষ হাজৰিকা, সদৌ অসম ট্ৰাইবেল সংঘৰ সাধাৰণ সম্পাদক আদিত্য খাখলাৰীয়েও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত সাংসদ প্ৰদান বৰুৱা, বিধায়কদ্বয় ৰমাকান্ত দেউৰী আৰু ডিম্বেশ্বৰ দাস, তিৱা স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱন কোঁৱৰ, সদৌ অসম ট্ৰাইবেল সংঘৰ সভাপতি মিলন সোণোৱাল প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত আছিল।

**স্বাক্ষৰ / পুঃডেঃ**
**৩০/০১/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in